সাগৰৰ পানী পৱিত্ৰ আৰু ইয়াৰ মৃত প্ৰাণী হালাল।

আবু হুৰাইৰাহ ৰাদ্বিয়াল্লাহু আনহুৰ পৰা বৰ্ণিত তেওঁ কৈছেঃ এজন ব্যক্তিয়ে ৰাছুলুল্লাহ চাল্লাল্লাহু আলাইহি অছাল্লামক প্ৰশ্ন কৰিলে যে, হে আল্লাহৰ ৰাছুল! আমি সাগৰীয় ভ্ৰমণত থাকোঁ, তেতিয়া আমাৰ সৈতে খুবেই কম পৰিমাণ পানী থাকে। যদি আমি সেই
পানীৰে অজু কৰোঁ তেন্তে পিয়াহত থাকিবলগীয়া হয়, এনে ক্ষেত্ৰত আমি সাগৰৰ পানীৰে অজু কৰিব পাৰিমনে? তেতিয়া ৰাছুলুল্লাহ চাল্লাল্লাহু আলাইহি অছাল্লামে ক'লেঃ "সাগৰৰ
পানী পৱিত্ৰ আৰু ইয়াৰ মৃত প্ৰাণী হালাল।" [ছহীহ]

এজন চাহাবীয়ে নবী চাল্লাল্লাহু আলাইহি অছাল্লামক প্ৰশ্ন কৰিছিল যে, আমি মাছ মাৰিবলৈ অথবা ব্যৱসায় বাণিজ্যৰ বাবে নাইবা এই ধৰণৰ কোনো প্ৰয়োজনৰ বাবে যেতিয়া সাগৰত ভ্ৰমণ কৰোঁ, তেতিয়া আমাৰ সৈতে খোৱাৰ উপযুক্ত অতি কম পৰিমাণৰ পানী থাকে। সেই খোৱা পানীৰে যদি আমি অজু অথবা গোছল কৰোঁ তেন্তে আমাৰ পানী শেষ হৈ যাব আৰু খাবলৈ পানী নাপাম। এনে অৱস্থাত আমি সাগৰৰ পানীৰে অজু কৰিব পাৰিমনে? তেতিয়া নবী চাল্লাল্লাহু আলাইহি অছাল্লামে সাগৰৰ পানী সম্পৰ্কে ক'লেঃ সাগৰৰ পানী নিজেও পৱিত্ৰ আৰু আনকো পৱিত্ৰ কৰিব পৰা গুণ আছে। গতিকে সেই পানীৰে অজু কৰাও বৈধ আৰু গোছল কৰাও বৈধ। লগতে সাগৰৰ মাছ আৰু বিভিন্ন প্ৰাণী ভক্ষণ কৰাও হালাল, যদিও সেয়া চিকাৰ নকৰাকৈ মৃত অৱস্থাত পোৱা যায়, আৰু মৃত অৱস্থাত পানীৰ ওপৰত ভাহি থাকে।

https://sunnah.global/hadeeth/as/show/8355